এইটো সঁচা যে ছিটা উদ্ভাৱনৰ গৱেষণাত বা যিকোনো নতুন দৰৱ প্ৰস্তুতিৰ বাবে গৱেষণাগাৰৰ পৰীক্ষা-নিৰীক্ষাত ঔষধ কোম্পানিবোৰে প্ৰচুৰ ধন বিনিয়োগ কৰে। গৱেষণা সফল হ'লে সংশ্লিষ্ট কোম্পানিটোৱে ছিটা বা দৰৱটোৰ একচেটিয়া ব্যৱসায়ৰ অধিকাৰ (patent) পায়। মূৰকত বিপণনৰ জৰিয়তে কোম্পানিটোৱে প্ৰচুৰ লাভ অৰ্জন কৰে। এইটো আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়িক পদ্ধতি, তাত আপত্তিৰ থল নাই। অৱশ্যে কোনো চৰকাৰেও গৱেষণাত ধন বিনিয়োগ কৰিব পাৰে। পিছে মূল প্ৰশ্নটো হ'ল, ধনী-দুখীয়া সকলো দেশেই চিকিৎসা বিজ্ঞানৰ গৱেষণাৰ সুফল পাবনে?

লক্ষণীয় যে বিশ্ব স্বাস্থ্য সংস্থা, বিশ্ব বেংক, ইউনিছেফ আৰু গে'টছ ফাউণ্ডেশ্যনৰ সহযোগত GAVI নামৰ যুক্তৰাষ্ট্ৰৰ সংস্থাটোৱে দুখীয়া দেশৰ শিশুসকলৰ ভাইৰাছ-বিৰোধী টীকাকৰণৰ বাবে পুঁজি যোগান ধৰিবলৈ ন্যাস এটা গঠন কৰিছে। অৱশ্যে 'পেটেণ্ট'ৰ বিকল্প পদ্ধতি গ্ৰহণ কৰিবলৈ দৰিদ্ৰ আৰু উন্নয়নশীল দেশবোৰৰ বাবে বিশ্ব বাণিজ্য সংস্থায়ো (WTO) ব্যৱস্থাপত্ৰ দি থৈছে। 'বৌদ্ধিক সম্পত্তিৰ অধিকাৰ'ৰ আধাৰত TRIPS চুক্তি অনুসৰি এখন অনুন্নত দেশৰ চৰকাৰে 'একচেটিয়া ব্যৱসায়ৰ অধিকাৰ' উপেক্ষা কৰি কোনো কোম্পানিক নিজ দেশত এবিধ ঔষধৰ উৎপাদন বা এটা চিকিৎসা পদ্ধতি প্ৰয়োগ কৰিবলৈ অনুজ্ঞাপত্ৰ দিব পাৰে। অৱশ্যে এই পদ্ধতিৰে উৎপাদিত ঔষধ নিজ দেশৰ বা আন দুখীয়া দেশৰ নাগৰিকৰ চিকিৎসাৰ বাবেহে ব্যৱহাৰ কৰিব পাৰে। এই ব্যৱস্থাটোত 'একচেটিয়া ব্যৱসায়ৰ অধিকাৰ' লাভ কৰা কোম্পানিটোক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ পৰামৰ্শও আছে। প্ৰসংগতঃ উল্লেখযোগ্য যে 'Vaccine Alliance' নামৰ সংস্থাটোৱে Serum Institute of India'ক নিম্ন আৰু মধ্য আয়ৰ দেশবোৰত বিতৰণৰ বাবে এশ নিযুত পালি ছিটাৰ যোগান ধৰিবলৈ আগধন দি থৈছে।

এনেদৰেই কৰ'না ভাইৰাছৰ সংক্ৰমণৰ প্ৰসংগত এটা বিশ্বজোৰা সচেতনতাৰ সৃষ্টি হৈছে, ইয়াৰ চালিকা শক্তি হ'ল 'সকলোৰে প্ৰাণৰ মূল্য আছে' বাৰ্তাটো। অৱশ্যে একাংশ চিন্তাবিদে ক'ভিড-১৯ৰ সংক্ৰমণ সন্দৰ্ভত অযথা হৈ-চৈ কৰি থকা হৈছে বুলি বিৰক্তি প্ৰকাশ নকৰাকৈ থকা নাই। তেওঁলোকৰ মতে অতীতত অনেক মহামাৰীৰ আক্ৰমণ ঘটিছে, আনকি আমাৰ দেশতেই প্ৰতিবছৰে যক্ষ্মা ৰোগত আক্ৰান্ত হৈ ৪,৪০,০০০ লোক মৃত্যুমুখত পৰে, কেন্সাৰত মৃত্যু হয় দৈনিক ১৩০০জনৰ; ২০১৮ চনত অপুষ্টিত ভুগি মৃত্যু হোৱা পাঁচ বছৰতকৈ কম বয়সীয়া শিশুৰ সংখ্যা আছিল ন লাখ। তেনে ক্ষেত্ৰত কৰ'না সংক্ৰমণ ৰোধ কৰিবলৈ মাত্ৰাধিক তৎপৰতা কেলেই? বিশেষকৈ চৰকাৰে গ্ৰহণ কৰা 'তলাবন্ধ' কাৰ্যসূচীয়ে অৰ্থনৈতিক গাঁথনিটো ভাঙি পেলোৱাৰ ফলত লাখ লাখ দৰিদ্ৰ লোক সৰ্বস্বান্ত হৈছে। এই অভিযোগ একেবাৰে ভিত্তিহীন নহয়; কিন্তু ভাইৰাছ সংক্ৰমণৰ তাণ্ডৱ চলি থকাৰ পৰিপ্ৰেক্ষিতত চৰকাৰ নিৰৱ দৰ্শক হৈ ৰ'ব নোৱাৰে, সেইটোও সঁচা।

অতীতত মহামাৰীবোৰ কেইখনমান

◆◆

***আধুনিক কালত বিশ্বৰ সকলো দেশকে গ্ৰাস কৰা ভাইৰাছ সংক্ৰমণৰ ঘটনা এইটোৱেই প্ৰথম। এই মহামাৰীয়ে সৃষ্টি কৰা সমস্যাৰ সন্মুখীন হ'বলৈ বিশ্বৰ কোনোখন দেশতে স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি পৰ্যাপ্ত নাছিল। 'তলাবন্ধ'ৰ পদ্ধতিৰে সংক্ৰমণ বিলম্বিত কৰি সেই অভাৱ দূৰ কৰাৰ প্ৰয়াস চলোৱা হৈছে। লক্ষণীয় যে শেহতীয়াভাৱে ভাৰতকে ধৰি বিশ্বৰ প্ৰায়বোৰ দেশতে ভাইৰাছ সংক্ৰমণৰ মাত্ৰা ভয়াবহভাৱে বৃদ্ধি পাব লাগিছে; ফলত ইটালি, স্পেইন, ফ্ৰান্স, জাৰ্মেনি আদি দেশত পুনৰ 'তলাবন্ধ' আৰোপ কৰাৰ প্ৰস্তুতি চলিছে।***

◆◆◆

দেশতে সীমিত আছিল, এখন দেশৰপৰা আন এখন দেশলৈ সংক্ৰমণ ঘটিলে 'তলাবন্ধ'ৰ লেখীয়া আছুতীয়াকৰণ কৌশল গ্ৰহণ কৰা হৈছিল। 'Quarantine' শব্দটোৰ উৎপত্তিৰ মাজতে সেই তথ্য লুকাই আছে। শব্দটোৰ অৰ্থ হ'ল 'সংগৰোধ', এজনক আন এজনৰপৰা আঁতৰাই ৰখা। কিন্তু মূল ভেনিছিয়ান (ইটালি) ভাষাত শব্দটোৱে ৪০ দিনৰ সংগৰোধক বুজায়। ১৩৪৮-১৩৫৯ খ্ৰিষ্টাব্দত ইউৰোপ মহাদেশত প্লেগ মহামাৰীত ৩০% লোকৰ মৃত্যু হৈছিল। ১৩৭৭ চনত ক্ৰ'ৱেছিয়াই বিদেশৰপৰা তাৰ বন্দৰলৈ অহা মানুহবোৰক ৩০ দিন পৰ্যন্ত এটা দ্বীপত পৃথকে ৰখাৰ দিহা কৰিছিল। ১৪৪৮ চনৰপৰা পৃথকে ৰখা সময় ৪০ দিনলৈ বৃদ্ধি কৰা হৈছিল, কাৰণ পৃথকে থকা সময়তো কোনো কোনোৰ দেহত ৩৭ দিনৰ পাছত প্লেগৰ লক্ষণ ফুটি উঠা দেখা গৈছিল। এই পদ্ধতিৰে প্লেগ মহামাৰী বহু পৰিমাণে ৰোধ কৰিব পৰা গৈছিল।

আধুনিক কালত বিশ্বৰ সকলো দেশকে গ্ৰাস কৰা ভাইৰাছ সংক্ৰমণৰ ঘটনা এইটোৱেই প্ৰথম। এই মহামাৰীয়ে সৃষ্টি কৰা সমস্যাৰ সন্মুখীন হ'বলৈ বিশ্বৰ কোনোখন দেশতে স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি পৰ্যাপ্ত নাছিল। 'তলাবন্ধ'ৰ পদ্ধতিৰে সংক্ৰমণ বিলম্বিত কৰি সেই অভাৱ দূৰ কৰাৰ প্ৰয়াস চলোৱা হৈছে। লক্ষণীয় যে শেহতীয়াভাৱে ভাৰতকে ধৰি বিশ্বৰ প্ৰায়বোৰ দেশতে ভাইৰাছ সংক্ৰমণৰ মাত্ৰা ভয়াবহভাৱে বৃদ্ধি পাব লাগিছে; ফলত ইটালি, স্পেইন, ফ্ৰান্স, জাৰ্মেনি আদি দেশত পুনৰ 'তলাবন্ধ' আৰোপ কৰাৰ প্ৰস্তুতি চলিছে। ব্ৰিটেইনত চৰকাৰৰ স্বাস্থ্যসেৱা সম্পৰ্কীয় নীতি-নিৰ্দেশনা অমান্য কৰাৰ অপৰাধত ভাৰতীয় মূল্যত ৯ লাখ টকা পৰ্যন্ত জৰিমনা বিহাৰ ব্যৱস্থা কৰা হৈছে।

লক্ষণীয় যে মুঠেও 'তলাবন্ধ'ৰ ব্যৱস্থা নকৰা একমাত্ৰ দেশখন হ'ল ছুইডেন; কিন্তু অতি কম জনসংখ্যা ঘনত্বৰ দেশখনতো সংক্ৰমিতৰ সংখ্যা ৮৮,২৩৭ আৰু মৃতকৰ সংখ্যা ৫,৮৬৫জন গৈছেগৈ। অথচ দেশখনৰ জনসংখ্যা এককোটি মাথোন। উদ্বেগৰ কথাটো হ'ল কৰ'না আক্ৰান্তৰ সংখ্যাৰে এতিয়া বিশ্বত ভাৰতৰ স্থান আমেৰিকাৰ পিছতে দ্বিতীয় হ'লগৈ; অৱশ্যে মৃত্যু হোৱা লোকৰ সংখ্যাৰে ব্ৰাজিলৰ স্থান এতিয়াও দ্বিতীয়। ভাৰতত আৰোগ্য লাভ কৰা লোকৰ সংখ্যা তুলনামূলকভাৱে বেছি আৰু মৃত্যু হোৱা লোকৰ সংখ্যা কম; সেইটোৱেই এই সময়ত সান্ত্বনা লাভৰ একমাত্ৰ উপায়।

১৮৯৬-৯৭ চনৰ প্লেগ মহামাৰীত ভাৰতত এক কোটিমান লোকে প্ৰাণ হেৰুৱাইছিল, মহামাৰীৰ প্ৰকোপ চলিছিল ১৯০৫ চনলৈকে। কিন্তু এতিয়া বিজ্ঞানৰ উচ্চ শিখৰত উপনীত হোৱাৰ সময়ত তেনে পৰিসংখ্যাৰ কথা ভাবিবই নোৱাৰি। গণতান্ত্ৰিক সমাজলৈ বিজ্ঞানৰ অমোঘ বাৰ্তাটো হ'ল— 'সকলো প্ৰাণৰে মূল্য আছে।' সেই কথা মনত ৰাখিয়েই বিজ্ঞানসন্মত দৈনন্দিন জীৱন আঁকোৱালি লোৱাটো পৰিত্ৰাণৰ একমাত্ৰ উপায়।

ঠিকনা ঃ ১২, ডিম্বেশ্বৰ নেওগ পথ, আনন্দনগৰ, গুৱাহাটী-৭৮১০০৫, ফোন ঃ ৯৪৩৫৫৫৪২০৫